[23-HKPD1SNP-24 M]

MA 1st Semester (NEP) Exam. 2023 (W)

ASSAMESE (DSC)

(অসমীয়া সাহিত্যৰ বুৰঞ্জী (আৰুণোদই যুগৰ পৰা ৰামধেনু পৰৱৰ্তী কাললৈ))

[AS S1 -02]

Full Marks : 70

Time : 3 hours

The figures in the right-hand margin indicate marks.

1. তলৰ দিয়া ৮টা প্ৰশ্নৰ যিকোনো ৫ টাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৪০০ শব্দৰ ভিতৰত) ঃ $10 \times 5 = 50$

(*a*) অৰুণোদই যুগৰ ঐতিহাসিক পটভূমি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(*b*) অৰুণোদই কাকতলৈ অৰিহণা যোগোৱা অনা-খ্ৰীষ্টিয়ান লেখকসকলৰ ভিতৰত উল্লেখযোগ্য লেখক কোন কোন আছিল ? তেঁওলোকৰ কৃতিসমূহৰ মূল্যায়ন আগবঢ়াওক ।

(*c*) অৰুণোদই যুগৰ অসমীয়া সাহিত্যত কাকত-আলোচনীৰ ভূমিকা সম্পৰ্কে লিখি পৰৱৰ্তী কালত লক্ষ্মীনাথ বেজবৰুৱাৰ হাতত সাহিত্যই কেনে গতি লাভ কৰিলে আলোচনা কৰক ।

(*d*) জোনাকী যুগৰ সাহিত্যৰ ৰূপৰেখা দাঙি ধৰি ইয়াৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক ।

(*e*) আৱাহন যুগৰ অসমীয়া সাহিত্য- এই সম্পৰ্কে এটি চমু লেখ আগবঢ়াওক । জয়ন্তী যুগৰ সাহিত্য ইয়াৰ পৰা কিদৰে পৃথক আলোচনা কৰক ।

(*f*) 'জয়ন্তী যুগ' টোক অসমীয়া সাহিত্যৰ ক্ষেত্ৰত এটা বিশেষ বিন্দু (Turning point) ৰূপে আখ্যা দিব পাৰি নেকি ? আপোনাৰ উত্তৰৰ সমৰ্থনত যুক্তি আগবঢ়াওক ।

(*g*) ৰামধেনু যুগৰ আৰু ৰামধেনু পৰৱৰ্তী কালৰ সাহিত্যৰ বিবিধ ধাৰা আৰু বৈশিষ্ট্যৰ কথা আলোচনা কৰক ।

(*h*) অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ চমু পৰিচয় আগবঢ়াওক ।

2. তলত দিয়া ৬টা প্ৰশ্নৰ যিকোনো ৪টাৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $4 \times 5 = 20$

(*a*) 'আসাম বিলাসিনী' কাকতৰ বিষয়ে এটি টোকা লিখক ।

(*b*) জোনাকী যুগৰ সাহিত্য আৰু আৱাহনৰ সাহিত্যৰ এটা তুলনা যুগুত কৰক ।

(*c*) বাঁহী আলোচনীখনৰ অসমীয়া সাহিত্যলৈ কি কৰঙণি আলোচনা কৰক ।

(*d*) আৱাহন যুগৰ সাহিত্যিক নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ ৰচনাৰাজিৰ মূল্যায়ন আগবঢ়াওক ।

(*e*) ৰামধেনু যুগৰ সাহিত্যৰ বিবিধ ধাৰাৰ ৰূপৰেখা দাঙি ধৰি যিকোনো এগৰাকী সাহিত্যিকৰ ৰচনাকৃতিৰ মূল্যায়ন আগবঢ়াওক ।

(*f*) ৰামধেনু–পৰৱৰ্তী কালৰ কেইগৰাকীমান চুটিগল্পকাৰৰ ৰচনাকৃতিৰ মূল্যায়ন আগবঢ়াওক ।